# বিষয়- সমাজ বিজ্ঞান
## শ্ৰেণী - ষষ্ঠ

| ক্ৰ. নং | প্ৰাসংগিক শিকন ঘাটি | আৱশ্যকীয় শিক্ষণ-শিকন সামগ্ৰী | শিক্ষণ-শিকন প্ৰক্ৰিয়া | মূল্যায়ন | শিকন ফলাফল |
|---|---|---|---|---|---|
| ১ | ক) আৰ্যসকলে গঢ়ি তোলা সভ্যতাটোৰ নাম কি?<br>খ) বেদৰ আন এটা নাম কি? | পাঠ্যপুথি, প্ৰসংগপুথি, মানচিত্ৰ | প্ৰশ্নোত্তৰ, বিস্তৃত পঠন, দলগত কাৰ্য, টোকা প্ৰস্তুতকৰণ, মানচিত্ৰ অংকন, মানচিত্ৰ অধ্যয়ন আদি। | প্ৰশ্নোত্তৰ, মানচিত্ৰ অংকন, তালিকা প্ৰস্তুতকৰণ, কুইজ আদি। | ক) ভাৰতবৰ্ষলৈ আৰ্যসকলৰ আগমন সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।<br>খ) ভাৰতীয় সংস্কৃতিলৈ আৰ্যসকলৰ অৱদান সম্পৰ্কে আলোচনা কৰিব পাৰিব।<br><br>***<u>আনুষংগিক শিকন ফলাফল ঃ</u>***<br>*বৈদিক যুগত গঢ়লৈ উঠা সাহিত্য-সংস্কৃতিৰ বিষয়ে থূল-মূল আভাস দাঙি ধৰিব পাৰিব।* |
| ২ | তলৰ কোনখন নদী উত্তৰ ভাৰতৰ সমভূমি অঞ্চলৰ অন্তৰ্গত নহয়?<br>ক) কাবেৰী<br>খ) গঙ্গা<br>গ) যমুনা<br>ঘ) ব্ৰহ্মপুত্ৰ | পাঠ্যপুথি, মানচিত্ৰ, প্ৰসংগপুথি, ছবি | প্ৰশ্নোত্তৰ, দলগত কাৰ্য, মানচিত্ৰ অধ্যয়ন, আলোচনা আদি | প্ৰশ্নোত্তৰ, টোকা প্ৰস্তুতকৰণ | ক) ভূ-অৱয়বৰ গঠন প্ৰক্ৰিয়া সম্পৰ্কে ক'ব পাৰিব।<br>খ) বিভিন্ন প্ৰকাৰৰ ভূ-অৱয়বসমূহ, যেনে-পৰ্বত, পাহাৰ, সমভূমি, মালভূমি, নদ-নদী আদিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।<br>***<u>আনুষংগিক শিকন ফলাফল ঃ</u>***<br>*ক) পৃথিৱীৰ প্ৰধান ভূ-অৱয়বসমূহৰ উৎপত্তিৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।*<br>*খ) ভূ-অৱয়বসমূহৰ সৈতে মানুহৰ সম্বন্ধৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব।*<br>*গ) সমভূমিৰ বৈশিষ্ট্য আৰু ইয়াৰ লগত মানুহৰ সম্বন্ধৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।* |

# বিষয়- সমাজ বিজ্ঞান
## শ্ৰেণী - ষষ্ঠ

| ক্ৰ. নং | প্ৰাসংগিক শিকন ঘাটি | আৱশ্যকীয় শিক্ষণ-শিকন সামগ্ৰী | শিক্ষণ-শিকন প্ৰক্ৰিয়া | মূল্যায়ন | শিকন ফলাফল |
|---|---|---|---|---|---|
| ৩ | তলৰ কোনখন ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত ?<br>ক) ওৰাং ৰাষ্ট্ৰীয় উদ্যান<br>খ) মানাহ ৰাষ্ট্ৰীয় উদ্যান<br>গ) নামেৰী ৰাষ্ট্ৰীয় উদ্যান<br>ঘ) নামবৰ বন্যপ্ৰাণী অভয়াৰণ্য | পাঠ্যপুথি, প্ৰসংগপুথি, মানচিত্ৰ আদি | প্ৰশ্নোত্তৰ, দলগত কাৰ্য, বিস্তৃত পঠন, প্ৰকল্প, তালিকা প্ৰস্তুতকৰণ, আলোচনা চক্ৰ, টোকা প্ৰস্তুতকৰণ আদি | প্ৰশ্নোত্তৰ, প্ৰকল্প, টোকা প্ৰস্তুতকৰণ আদি | অসমৰ প্ৰাকৃতিক উদ্ভিদৰ ভাগসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব আৰু ইয়াৰ বৈশিষ্ট্য আৰু তাত পোৱা ভিন ভিন পশু-পক্ষীসমূহৰ বিষয়ে আলোচনা আগবঢ়াব পাৰিব।<br>***<u>আনুষংগিক শিকন ফলাফল ঃ</u>***<br>➢ *অসমৰ জলবায়ু সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।*<br>➢ *অসমৰ ঋতুসমূহৰ বিষয়ে দলত আলোচনা আগবঢ়াব পাৰিব।*<br>➢ *প্ৰাকৃতিক উদ্ভিদ আৰু বন্য প্ৰাণীক সম্পদ হিচাপে বুজি এইবোৰৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।* |

# বিষয়- সমাজ বিজ্ঞান
## শ্ৰেণী - সপ্তম

| ক্ৰ. নং | প্ৰাসংগিক শিকন ঘাটি | আৱশ্যকীয় শিক্ষণ-শিকন সামগ্ৰী | শিক্ষণ-শিকন প্ৰক্ৰিয়া | মূল্যায়ন | শিকন ফলাফল |
|---|---|---|---|---|---|
| ১ | বৰ্তমান অসমত থকা ৰাষ্ট্ৰীয় ঘাইপথৰ সংখ্যা কিমান? | পাঠ্যপুথি, প্ৰসংগপুথি, মানচিত্ৰ আদি | প্ৰশ্নোত্তৰ, মানচিত্ৰ অধ্যয়ন, ক্ষেত্ৰ ভ্ৰমণ, প্ৰকল্প, টোকা প্ৰস্তুতকৰণ আদি | প্ৰশ্নোত্তৰ, কুইজ আদি | ৰাষ্ট্ৰ নিৰ্মাণ প্ৰক্ৰিয়াৰ উল্লেখযোগ্য বিকাশৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।<br>**<u>আনুষংগিক শিকন ফলাফল ঃ</u>**<br>➢ ভাৰত আৰু অসমৰ ৰাষ্ট্ৰীয় ঘাইপথ, ৰাজ্যিক পথসমূহৰ নাম ক'ব পাৰিব।<br>➢ অৰ্থনৈতিক উন্নয়নত ৰাষ্ট্ৰীয় ঘাইপথৰ গুৰুত্ব বুজি ব্যাখ্যা কৰিব পাৰিব। |

# বিষয়- সমাজ বিজ্ঞান
## শ্ৰেণী - অষ্টম

| ক্ৰ. নং | প্ৰাসংগিক শিকন ঘাটি | আৱশ্যকীয় শিক্ষণ-শিকন সামগ্ৰী | শিক্ষণ-শিকন প্ৰক্ৰিয়া | মূল্যায়ন | শিকন ফলাফল |
|---|---|---|---|---|---|
| ১ | ভাৰতৰ মানচিত্ৰত খনিজ বলয়সমূহৰ লগতে লো-তীখা উদ্যোগসমূহৰ অৱস্থান নিৰ্ণয়। | পাঠ্যপুথি, প্ৰসংগপুথি, মানচিত্ৰ আদি | প্ৰশ্নোত্তৰ, দলগত কাৰ্য, মানচিত্ৰ অধ্যয়ন, বিস্তৃত পঠন, নক্সা অংকন আদি | প্ৰশ্নোত্তৰ, টোকা প্ৰস্তুতকৰণ, তালিকা প্ৰস্তুতকৰণ, প্ৰকল্প মানচিত্ৰত স্থান নিৰ্ণয় কৰা। | ক) ভাৰতৰ মানচিত্ৰত খনিজ বলয়সমূহৰ অৱস্থান নিৰ্ণয় কৰি ব্যাখ্যা কৰিব পাৰিব।<br>খ) ভাৰতৰ মানচিত্ৰত লো-তীখা উদ্যোগসমূহৰ অৱস্থান নিৰ্ণয় কৰিব পাৰিব।<br>*<u>আনুষংগিক শিকন ফলাফল ঃ</u>*<br>➢ *ভাৰতৰ খনিজ সম্পদবোৰৰ বিতৰণৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা প্ৰধান চহৰসমূহ চিহ্নিত কৰিব পাৰিব।*<br>➢ *ভাৰতৰ খনিজ বলয়সমূহ চিনাক্ত কৰি মানচিত্ৰত এই বলয়সমূহৰ প্ৰধান কেন্দ্ৰসমূহ নিৰ্ণয় কৰিব পাৰিব।*<br>➢ *ভাৰতত উপলব্ধ খনিজ সম্পদৰ তালিকা প্ৰস্তুত কৰিব পাৰিব।* |